NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 12-**12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত হ'বলগীয়া মহাকুম্ভ মেলা-২০২৫ৰ কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

২। উচ্চতম ন্যায়ালয়ে ধৰ্মীয় উপাসনা স্থান আইনৰ অধীনত নতুনকৈ কোনো আবেদন আদালতত গ্ৰহণ নকৰিবলৈ নিৰ্দেশ দিছে।

৩। বাংলাদেশৰ এখন আদালতে কাৰাৰুদ্ধ ইস্কন সংগঠনৰ ছিন্ময় কৃষ্ণ দাসৰ জামিনৰ শুনানি খৰতকীয়া কৰিবলৈ কৰা আবেদন গ্ৰহণ কৰিছে।

৪। নেপালৰ সৈন্য বাহিনীৰ প্ৰধান জেনেৰেল অশোকৰাজ ছিগদেলে আজি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰে।

*আৰু*

৫। প্ৰচাৰ ভাৰতীয়ে আজি নতুন দিল্লীত হকী ইণ্ডিয়াৰ নেতৃবৰ্গৰ সৈতে সমাগত হকী ইণ্ডিয়া লীগৰ পোনপটীয়া প্ৰচাৰৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

oooooooo

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত হ'বলগীয়া মহাকুম্ভ মেলা-২০২৫ৰ কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। অহা ১৩ জানুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া প্ৰকৃত কুম্ভ মেলাৰ বাবে প্ৰয়াগৰাজত প্ৰায় ৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ১০ খন নতুন উৰন সেঁতু, নদী ঘাট, নদীৰ দাঁতিৰ পথৰ লগতে ৫টা মন্দিৰ কৰিড'ৰ নিৰ্মাণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কাইলৈ এই প্ৰকল্পসমূহ আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ পূৰ্বে ত্ৰিবেনী সংগম, অক্ষয়ভাট আৰু হনুমান মন্দিৰত পূজা-অৰ্চনা কৰাৰ লগতে গংগা আৰতিতো অংশগ্ৰহণ কৰিব। শ্ৰী মোদীয়ে কাইলৈ কুম্ভ মেলা স্থানত এখন ৰাজহুৱা সভাতো অংশগ্ৰহণ কৰাৰ কথা আছে বুলি আমাৰ প্ৰয়াগৰাজৰ সংবাদদাতাই জনাইছে।

oooooooo

উচ্চতম ন্যায়ালয়ে ধৰ্মীয় উপাসনা স্থান আইনৰ অধীনত নতুনকৈ কোনো আবেদন আদালতত গ্ৰহণ নকৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না নেতৃত্বাধীন উচ্চতম ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠে আজি বৰ্তমান বিচাৰাধীন হৈ থকা কোনো আবেদনৰ ক্ষেত্ৰতো উচ্চতম ন্যায়ালয়ৰ আদেশ অবিহনে অন্য আদালতে কোনো নিৰ্দেশ দিব নোৱাৰিব বুলি স্পষ্ট কৰি দিছে। ন্যায়াধীশ সঞ্জয় কুমাৰ, ন্যায়াধীশ কে ভি বিশ্বনাথন আৰু মুখ্য ন্যায়াধীশ খান্নাক লৈ গঠিত খণ্ড আদালতে ১৯৯১ চনৰ ধৰ্মীয় উপাসনা স্থান আইনৰ বৈধতাৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনকেইখনৰ শুনানি একেলগে লোৱাৰ সন্দৰ্ভত চাৰি সপ্তাহৰ ভিতৰত শপতনামা দাখিল কৰিবলৈ কেন্দ্ৰীয়

চৰকাৰক নিৰ্দেশ দিয়ে। আবেদনকাৰীসকলে ১৯৯১ চনৰ এই আইনখনৰ দ্বাৰা দেশত ১৯৪৭ চনৰ ১৫ আগষ্টত থকা কোনো ধৰ্মীয় উপাসনাস্থলীৰ স্থিতি সলনি কৰিব নোৱৰা ব্যৱস্থাটোৰ আইনী বৈধতাৰ প্ৰশ্ন তুলিছিল। এই গোচৰটোত জ্যেষ্ঠ অধিবক্তা ইজাজ মকবুল, কানু আগৰৱাল আৰু বিষ্ণু শংকৰ জৈনক আবেদনকাৰী, কেন্দ্ৰীয় চৰকাৰ আৰু আইনখন সমৰ্থনকাৰীসকলৰ আবেদনসমূহ এক গোট কৰিবলৈ দায়িত্ব দিয়া হৈছিল। বিগত বছৰসমূহত এই আইনখন প্ৰত্যাহাৰৰ বাবে উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি কেইবাখনো আবেদন দাখিল কৰা হৈছিল।

oooooooo

বাংলাদেশৰ এখন আদালতে কাৰাৰুদ্ধ ইস্কন সংগঠনৰ ছিন্ময় কৃষ্ণ দাসৰ জামিনৰ শুনানি খৰতকীয়া কৰিবলৈ কৰা আবেদন গ্ৰহণ কৰিছে। ছত্ৰগ্ৰাম মেট্ৰ'পলিটান ছেছন আদালতে কালি ধৰ্মীয় গুৰুগৰাকীৰ অধিবক্তা ৰবীন্দ্ৰ ঘোষে দাখিল কৰা এখন আবেদন গ্ৰহণ কৰে আৰু ছিন্ময় কৃষ্ণ দাসৰ জামিন আবেদনৰ শুনানিৰ সময়ত ছত্ৰগ্ৰামৰ এজন অধিবক্তা উপস্থিত থকাৰ আৰ্জিও মঞ্জুৰ কৰে। ইয়াৰ আগতে ছত্ৰগ্ৰামৰ আদালতে ছিন্ময় কৃষ্ণ দাসৰ অগ্ৰিম জামিনৰ আবেদন নামাঞ্জুৰ কৰিছিল।

oooooooo

স্মাৰ্ট চিটী অভিযান প্ৰকল্পৰ অধীনত ১০০ খন স্মাৰ্ট ছিটীত ICCC ব্যৱস্থা স্থাপন কৰা হৈছে। লোকসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী তোষণ ছাহুৱে কয়, যে এই আঁচনিৰ অধীনত ৮৪ হাজাৰ চিচি টিভি কেমেৰা, এহেজাৰ ৮৮৪টা জৰুৰীকালীন কল বাকচ আৰু ৰাজপথত তিনি হাজাৰ ৰাজহুৱা মাইক ব্যৱস্থা স্থাপন কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এহেজাৰ ৭০০ কিলোমিটাৰতকৈও অধিক স্মাৰ্ট পথ, ৭১৩ কিলোমিটাৰ বাইচাইকেল ট্ৰেক, ১৭ হাজাৰ পানী যোগান ব্যৱস্থা, এছ চি এ ডি এৰ যোগেৰে নিৰীক্ষণ কৰা হৈছে।

শ্ৰী চাহুৱে লগতে কয়, যে ৬৬ খন নগৰ, প্ৰযুক্তিৰ মাধ্যমেৰে সম্পন্ন গোটা আৱৰ্জনা ব্যৱস্থাপনাৰ যোগেৰে লাভান্বিত হৈছে। মন্ত্ৰীগৰাকীয়ে আৰু কয়, যে এই অভিযানৰ অধীনত ৯ হেজাৰ ৪০০তকৈও অধিক স্মাৰ্ট শ্ৰেণীকোঠা আৰু ৪১টা ডিজিটেল পুথিভঁড়াল উন্নয়নৰ জড়িয়তে শিক্ষা আৰু স্বাস্থ্য খণ্ডত সৰলীকৰণ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্মাৰ্ট ছিটী অভিযানৰ অধীনত ১৭২টা ই-স্বাস্থ্য কেন্দ্ৰ আৰু ক্লিনিকৰ উন্নয়ন কৰাৰ লগতে ১৫২টা স্বাস্থ্য এ টি এম স্থাপন কৰা হৈছে বুলিও জানিবলৈ দিয়ে।

oooooooo

তৃণমূল কংগ্ৰেছৰ ৰাজ্যসভাৰ সাংসদ সাগৰিকা ঘোষে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৰে কালি উচ্চ সদনত বিৰোধীৰ প্ৰতি অশোভনীয় মন্তব্য কৰাৰ অভিযোগত বিশেষাধিকাৰৰ প্ৰস্তাৱ উত্থাপন কৰিছে। সংসদৰ বাহিৰত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীমতী ঘোষে কয়, যে সদনৰ অধিৱেশন নিয়াৰিকৈ চলোৱাটো নিশ্চিত কৰাটো সাংসদীয় পৰিক্ৰমা মন্ত্ৰীৰ দায়িত্ব। শ্ৰীমতী ঘোষে বিৰোধীৰ প্ৰতি কিৰেন ৰিজিজুৰ মন্তব্যৰ বিৰোধীতা কৰে আৰু সংসদৰ কাৰ্যক্ৰমণিকাৰ পৰা এই মন্তব্যক প্ৰত্যাহাৰ কৰিবলৈ দাবী তোলে। এই কাৰ্যৰ বাবে মন্ত্ৰীগৰাকীয়ে ক্ষমা খোজা উচিত বুলিও তেওঁ মন্তব্য কৰে।

oooooooo

নেপালৰ সৈন্য বাহিনীৰ প্ৰধান জেনেৰেল অশোকৰাজ ছিগদেলে আজি নতুন দিল্লীত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক সাক্ষাৎ কৰি দুয়ো দেশৰ মাজৰ প্ৰতিৰক্ষা আৰু বিভিন্ন দ্বিপাক্ষিক বিষয়লৈ আলোচনা কৰে। আলোচনাকালত প্ৰতিৰক্ষা মন্ত্ৰী সিঙে ভাৰত আৰু নেপালৰ সেনাবাহিনীৰ মাজৰ প্ৰশিক্ষণ, যুটীয়া কুচকাৱাজ, কৰ্মশালা আদি নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। নেপালৰ সেনাবাহিনীৰ সামৰ্থ বৃদ্ধি আৰু দেশখনলৈ ভাৰতীয় প্ৰতিৰক্ষা সামগ্ৰী আৰু আন সাহায্য প্ৰদান সম্পৰ্কতো জেনেৰেল ছিগদেলে প্ৰতিৰক্ষা মন্ত্ৰী সিঙৰ সৈতে মত বিনিময় কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ভাৰতে গ্ৰহণ কৰা **চুবুৰীয়া প্ৰথম** নীতিৰ অধীনত নেপালৰ সৈতে সম্পৰ্ক সুদৃঢ় কৰাত ভাৰত প্ৰতিশ্ৰুতিবদ্ধ আৰু অতি নিকট চুবুৰীয়া হিচাপে ভাৰত আৰু নেপালে বহু দ্বিপাক্ষিক আৰু বহুপাক্ষিক বিষয়ত একমত পোষণ কৰি আহিছে বুলি মন্তব্য কৰে।

00000000

প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত দ্বিতীয় পৰ্যায়ত দেশত এক কোটি ৬ লাখ এল পি জি সংযোগ পঞ্জীকৃত হৈছে বুলি চৰকাৰে জনাইছে। লোকসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপীয়ে জনাই যে ২০২৫-২৬ চনৰ ভিতৰত এই লক্ষ্য পূৰণৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও এই বছৰৰ জুলাই মাহতে লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে লগত কয়, যে চৰকাৰৰ প্ৰয়াসৰ ফলতে ২০১৬ চনৰ এপ্ৰিল মাহত ৬২ শতাংশ এল পি জি সংযোগ বৃদ্ধি হৈ এতিয়া লক্ষ্যৰ ওচৰ চাপিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ দুখীয়া শ্ৰেণীৰ মহিলাসকলক উপকৃত কৰাৰ অৰ্থে ২০১৬ চনৰ মে' মাহত এই আঁচনিখনৰ শুভাৰম্ভ কৰা হৈছিল। ২০১৯ চনৰ ছেপ্তেম্বৰ মাহলৈকে আঁচনিৰ দ্বিতীয় পৰ্যায়ত ৮ কোটি লোকক এল পি জি সংযোগেৰে সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

00000000

ছত্তিশগড়ৰ নাৰায়ণপুৰ জিলাৰ দক্ষিণ আবুজমাৰ অঞ্চলত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত সাতজন মাওবাদী উগ্ৰপন্থী নিহত হয়। চৰকাৰী সূত্ৰই ৰায়পুৰত প্ৰকাশ কৰা অনুসৰি গোপন সূত্ৰৰ পম খেদি বিশেষ টাস্ক ফোৰ্চ আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ যুটীয়া দলে আজি পুৱা অঞ্চলটোত অভিযান চলায়। এই অভিযানৰ সময়ত লুকাই থকা উগ্ৰপন্থীয়ে নিৰাপত্তা বাহিনীৰ দললৈ গুলীচালনা কৰাত দুয়োপক্ষৰ মাজত সংঘৰ্ষ হয়। পাছত নিৰাপত্তা বাহিনীয়ে অঞ্চলটোৰ পৰা সাতজন উগ্ৰপন্থীৰ মৃতদেহ উদ্ধাৰ কৰে।

00000000

পাঞ্জাবৰ অমৃতসৰৰ সমীপৱৰ্তী জচৰৰ গাঁৱত কালি সন্ধিয়া সীমান্ত সুৰক্ষা বাহিনী আৰু পাঞ্জাব আৰক্ষীৰ যুটীয়া অভিযানত দুজন নিচাযুক্ত দ্ৰব্য চোৰাং সৰবৰাহকাৰীক আটক কৰা হয়। সৰবৰাহকাৰী দুজনৰ পৰা ৩৭ হাজাৰ নগদ ধনৰ লগতে ম'বাইল ফোন আৰু অন্যান্য আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। বিস্তৃত অনুসন্ধানৰ বাবে দুয়োকে পাঞ্জাব আৰক্ষীৰ জিম্মালৈ হস্তান্তৰ কৰা হয়।

00000000

জল জীৱন মিছনৰ অধীনত ১৫ কোটি ৩৪ লাখ গ্ৰাম্য পৰিয়ালৰ ঘৰলৈ টেপ সংযোগ কৰি পানী যোগান ধৰা হৈছে বুলি চৰকাৰে জনাইছে। লোকসভাৰ এটি লিখিত প্ৰশ্ন উত্তৰত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ভি

ছোমান্নাই কয়, যে জলজীৱন মিছনৰ অধীনত ৭৯ দশমিক ২৮ শতাংশ গ্ৰাম্য পৰিয়ালৰ ঘৰলৈ টেপেৰে পানী যোগান ধৰা হৈছে।

oooooooo

প্ৰচাৰ ভাৰতীয়ে আজি নতুন দিল্লীত হকী ইণ্ডিয়াৰ নেতৃবৰ্গৰ সৈতে সমাগত হকী ইণ্ডিয়া লীগৰ পোনপটীয়া প্ৰচাৰৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। এই চুক্তিৰ জৰিয়তে হকী ইণ্ডিয়া লীগক ২০২৪-২৫ৰ পোনপটীয়া প্ৰচাৰৰ বাবে দূৰদৰ্শন অংশীদাৰ কৰা হৈছে। চলিত মাহৰ ২৮ তাৰিখৰ পৰা এই লীগ খেলসমূহ ৰুৰকেলা, ওড়িশা, ৰাঁচী আৰু ঝাৰখণ্ডত অনুষ্ঠিত হ'ব।

চুক্তিৰ স্বাক্ষৰৰ পাছত হকী ইণ্ডিয়া লীগৰ গৱৰ্নিং কমিটিৰ সদস্য ভোলানাথ সিঙে কয়, যে হকী কেৱল এবিধ খেলেই নহয় এই খেল দেশৰ একতা আৰু গৌৰৱৰ প্ৰতীক। তেওঁ লগতে কয়, যে দূৰদৰ্শনৰ অংশীদাৰিত্বৰ পিছতে এইছ আই এলৰ এটা দৰ্শনীয় ছিজন উপস্থাপন কৰিবলৈ এইছ আই এল সাজু হৈছে। এই অংশীদাৰিত্বই হকীৰ সৈতে জনসাধাৰণৰ বন্ধন সুদৃঢ় কৰিব বুলিও শ্ৰী সিঙে আশা প্ৰকাশ কৰে।

oooooooo

সমাপ্ত